**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI

**Date :** 20-08-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। উচ্চতম ন্যায়ালয়ে চিকিৎসা বৃত্তিৰ সৈতে জড়িতসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে।

২। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে চিকিৎসালয়ত সুৰক্ষা বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ সকলো চিকিৎসালয় আৰু প্ৰতিষ্ঠানৰ মুৰব্বীসকললৈ এখন পত্ৰ প্ৰেৰণ কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰপতি ভৱনত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমক আনুষ্ঠানিকভাৱে আদৰণি জনায়।

৪। আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে গুৱাহাটী আৰু লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এলৈ হস্তান্তৰ কৰাৰ কথা ঘোষণা কৰিছে।

আৰু

৫। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ধাৰাসাৰ বৰষুণৰ আশংকা কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যৰ বাবে অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে চিকিৎসা বৃত্তিৰ সৈতে জড়িতসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন বিচাৰপীঠে আজি কলকাতাৰ এখন চিকিৎসালয়ৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ শুনানি গ্ৰহণ কৰি কাৰ্যবাহিনীটোক তিনি সপ্তাহৰ ভিতৰত অন্তৰ্বৰ্তীকালীন প্ৰতিবেদন আৰু দুমাহৰ ভিতৰত চূড়ান্ত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে ন্যায়ালয়ে মহিলাসকলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে সমগ্ৰ দেশত অনুসৰণ কৰিবলগীয়া নীতি-নিৰ্দেশনা সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱাৰ বাবে দেশৰ সকলো চিকিৎসকক লৈ এটা ৰাষ্ট্ৰীয় কাৰ্যবাহিনী গঠন কৰিছে। সমগ্ৰ দেশত চিকিৎসক আৰু চিকিৎসা সেৱা বৃত্তিধাৰীসকলৰ কামৰ অসুৰক্ষিত বাতাবৰণক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি ন্যায়ালয়ে কয় যে বৰ্তমানৰ আইনে চিকিৎসকসকলৰ আনুষ্ঠানিক সুৰক্ষাৰ বিষয়টো পৰ্যাপ্তভাৱে সমাধান নকৰে। ন্যায়ালয়ে কয় যে প্ৰণালীগত বিষয়সমূহ সমাধানৰ উদ্দেশ্যে ই কলকাতাৰ আৰ জি কৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ বিষয়টো সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে। ন্যায়ালয়ে লগতে ৰাষ্ট্ৰই তৃণমূল পৰ্যায়ৰ পৰিৱৰ্তনৰ বাবে অন্য এটা ধৰ্ষণ আৰু হত্যালৈ বাট চাব নোৱাৰে। ছাৰ্জন ভাইচ এডমিৰেল আৰ ছাৰিন, ডাঃ ডি নাগেশ্বৰ ৰেড্ডী, ডাঃ এম শ্ৰীনিবাস, ডাঃ প্ৰতিমা মূৰ্তি, ডাঃ গোৱৰ্ধন দত্তপুৰী, ডাঃ সুমিত্ৰা ৰাৱট, দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ হৃদৰোগ বিভাগৰ মুৰব্বী প্ৰফেছৰ অনিতা চাক্সেনা, মুম্বাইৰ গ্ৰেণ্ট চিকিৎসা মহাবিদ্যালয়ৰ ডীন প্ৰফেছৰ পল্লৱী ছাপ্ৰে, অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ স্নায়ুতত্ব বিভাগৰ ডাঃ পদ্মা শ্ৰীবাস্তৱক লৈ এই কাৰ্যবাহিনী গঠন কৰা হৈছে। বৃহস্পতিবাৰে গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰা হৈছে। বিচাৰপীঠখনে কয় যে মহাৰাষ্ট্ৰ, কেৰালা, তেলেংগানা আদি ৰাষ্ট্ৰই চিকিৎসকৰ বিৰুদ্ধে সংঘটিত হিংসাত্মক ঘটনা ৰোধ কৰাৰ বাবে ৰাজ্যিক আইন যুগুতাই উলিয়াইছে। অৱশ্যে এই আইনসমূহত প্ৰতিষ্ঠানগত সুৰক্ষা মান বিষয়ক আসোঁৱাহ দূৰ কৰাৰ কোনো ব্যৱস্থা নাই।

০০০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে চিকিৎসালয়ত সুৰক্ষা বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ সকলো চিকিৎসালয় আৰু প্ৰতিষ্ঠানৰ মুৰব্বীসকললৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। পত্ৰখনত মন্ত্ৰালয়ে আগমন, প্ৰস্থান, কৰিড'ৰ আৰু স্পৰ্শকাতৰ এলেকাসহ কৌশলগত দিশৰ পৰা গুৰুত্বপূৰ্ণ স্থানসমূহত পৰ্যাপ্ত মাত্ৰাত উচ্চ ৰিজ'লিউচনৰ চি চি টি ভি কেমেৰা স্থাপন কৰিবলৈ আহ্বান জনাইছে। জৰুৰীকালীন অৱস্থাত তাৎক্ষণিক সঁহাৰিৰ বাবে এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিবলৈও পত্ৰখনত কোৱা হৈছে। তদুপৰি পত্ৰখনত চিকিৎসালয়ৰ চৌহদসমূহত নিৰীক্ষণ, টহল আৰু পৰ্যবেক্ষণৰ বাবে পৰ্যাপ্ত প্ৰশিক্ষণপ্ৰাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰা উচিত বুলি উল্লেখ কৰা হৈছে। মন্ত্ৰালয়ে কৈছে যে পৰিচয় পত্ৰ দেখুওৱাৰ পাছতহে কৰ্তৃত্বশীল কৰ্মচাৰীসকলক প্ৰৱেশ আৰু প্ৰস্থানৰ অনুমতি দিয়া উচিত। মন্ত্ৰালয়ে লগতে চিকিৎসালয়লৈ অহা সকলো লোকৰ নিৰীক্ষণৰ বাবে পৰ্যাপ্ত ব্যৱস্থা কৰা উচিত বুলি প্ৰকাশ কৰিছে। ইয়াৰ উপৰি চিকিৎসক, নাৰ্ছ আৰু প্ৰশাসনিক কৰ্মচাৰীসহ সকলোকে সুৰক্ষাৰ ভাবুকি চিনাক্ত কৰা আৰু সেই অনুসৰি সঁহাৰি জনোৱাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰিবলৈ কোৱা হৈছে। তেওঁলোকক জৰুৰীকালীন পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ উচিত দক্ষতাৰে সাজু কৰি তুলিবলৈ পত্ৰখনত উল্লেখ কৰা হৈছে। স্বাস্থ্য মন্ত্ৰালয়ে চিকিৎসা চৌহদৰ অন্ধকাৰ ঠাইসমূহৰ নিৰীক্ষণ কৰিব লাগে আৰু বিশেষকৈ মহিলা স্বাস্থ্য কৰ্মীয়ে কাম কৰা ঠাই, যান-বাহন ৰখোৱা ঠাই আৰু প্ৰৱেশ দ্বাৰত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰা উচিত বুলি মন্তব্য কৰিছে। চিকিৎসালয় কৰ্তৃপক্ষই কোনো ঘটনা সংঘটিত হ'লে স্থানীয় আৰক্ষী আৰু জৰুৰীকালীন সেৱাৰ সৈতে সমন্বয় সুনিশ্চিত কৰা উচিত মহিলা স্বাস্থ্যকৰ্মীসকলক সকলোধৰণৰ বুনিয়াদী সা-সুবিধা থকা নিৰাপদ কৰ্ম সম্পাদন কক্ষ প্ৰদান কৰা উচিত বুলি মন্ত্ৰালয়ে পত্ৰখনত উল্লেখ কৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে লগতে বিভিন্নধৰণৰ জৰুৰী অৱস্থাৰ জোৰা মৰাৰ বাবে সৰ্বাত্মক পৰিকল্পনা যুগুতাই উলিওৱাৰ পৰামৰ্শ আগবঢ়াইছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰপতি ভৱনত মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহীমক আনুষ্ঠানিকভাৱে আদৰণি জনায়। ইয়াৰ পূৰ্বে অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে দিল্লীৰ ৰাজঘাটত থকা জাতিৰ পিতা মহাত্মা গান্ধীৰ সমাধিত পুষ্পাৰ্ঘ্য নিবেদন কৰে।

০০০০০০০০০

আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে গুৱাহাটী আৰু লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত ৰাষ্ট্ৰীয় তদন্ত সংস্থা এন আই এলৈ হস্তান্তৰ কৰাৰ কথা ঘোষণা কৰিছে। গুৱাহাটীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে এই কথা সদৰি কৰে। তেওঁ কয় যে বোমা উদ্ধাৰৰ ঘটনা সন্দৰ্ভত মুঠ ১০ টা গোচৰ ৰুজু কৰা হৈছে। ইয়াৰ ভিতৰত গুৱাহাটী তথা লখিমপুৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত এন আই এলৈ হস্তান্তৰ কৰাৰ বাবে ৰাজ্য চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰা হৈছে বুলি শ্ৰী সিঙে প্ৰকাশ কৰিছে। তেওঁ কয় যে শিৱসাগৰত বোমা উদ্ধাৰৰ ঘটনাৰ তদন্ত যথেষ্ট আগবাঢ়িছে আৰু বোমা স্থাপন কৰা যুৱকসহ চাৰিজন লোকক ইতিমধ্যে আটক কৰা হৈছে। অৱশ্যে তেওঁ তদন্তৰ খাতিৰত সবিশেষ তথ্য প্ৰকাশ কৰাৰ পৰা বিৰত থাকে। আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে ৰাজ্যত শান্তি-শৃংখলা ব্যাহত হোৱা নাই আৰু কোনো কাৰণতে সেয়া বিঘ্নিত হোৱা উচিত নহয় বুলি স্পষ্ট কৰি দিছে। তেওঁ লগতে আইন ভংগ কৰিলে অথবা বিশৃংখল পৰিৱেশ সৃষ্টি কৰিলে আৰক্ষীয়ে কঠোৰ ব্যৱস্থা ল'ব বুলি সকিয়াই দিছে।

০০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ধাৰাসাৰ বৰষুণৰ আশংকা কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যৰ বাবে অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান সংস্থাটোৱে জনোৱা মতে দেশৰ কেইবাখনো ৰাজ্যত মজলীয়াৰ পৰা ধাৰাসাৰ বৰষুণ হৈ আছে। উত্তৰ

প্ৰদেশত সৃষ্টি হোৱা বা-মৰলিৰ বাবে পঞ্জাৱ, হাৰিয়ানা, উত্তৰাখণ্ড আৰু হিমাচল প্ৰদেশত কাইলৈ পৰ্যন্ত ধাৰাসাৰ বৰষুণ হৈ থাকিব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

গুৱাহাটী মহানগৰীতো নিশাৰেপৰা দি থকা নেৰানেপেৰা বৰষুণৰ ফলত বহুতো ঠাই জলমগ্ন হৈ পৰিছে। ঠায়ে ঠায়ে সৃষ্টি হোৱা কৃত্রিম বানৰ ফলত যান-বাহন চলাচলত ব্যাঘাত জন্মাৰ লগতে জীৱনযাত্ৰা ব্যাহত হৈ পৰিছে।

০০০০০০০০০

কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশমৰ্মে LATERAL ENTRY অৰ্থাৎ চৰকাৰৰ বাহিৰৰ ব্যক্তিক মাজৰ খাপৰ আৰু জ্যেষ্ঠ পদবীত পোনপটীয়া নিযুক্তিৰ বিজ্ঞাপন প্ৰত্যাহাৰ কৰাৰ বাবে ৰাষ্ট্ৰীয় লোকসেৱা আয়োগ ইউ পি এছ চিৰ অধ্যক্ষলৈ পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০০০০০

নিৰ্বাচন আয়োগে জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে অধিসূচনা জাৰি কৰিছে। এই পৰ্যায়ত প্ৰথম পৰ্যায়ত অনন্তনাগ, শ্বপিয়ান, কুলগাম, ৰামবান্দ, কিস্তৱাৰ আৰু দ'দা জিলাৰ ২৪টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ২৭ আগষ্ট ধাৰ্য কৰা হৈছে। ২৮ আগষ্টত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। আনহাতে, ৩০ আগষ্টলৈকে প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অহা ১৮ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব।

এই পৰ্যায়ত প্ৰায় ৯০ লাখ ভোটদাতাই ভোটদান কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে জম্মু আৰু কাশ্মীৰত সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ পাছত বিধানসভা আসনৰ সংখ্যা ৮৩ৰ পৰা ৯০ লৈ বৃদ্ধি হয়।ইয়াৰ ভিতৰত ৭৪ খন আসন সাধাৰণ শ্ৰেণীৰ প্ৰাৰ্থীৰ বাবে। আনহাতে ৭ খন আসন অনুসূচিত জাতি আৰু ৯ খন আসন অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত কৰা হৈছে। এইবেলি নিৰ্বাচনত ভোটদান কৰিবলগীয়া নাগৰিকসকলৰ ভিতৰত প্ৰায় ২১ লাখ ভোটদাতা ২০ৰ পৰা ২৯ বছৰ বয়সৰ ভিতৰৰ। জম্মু-কাশ্মীৰত এইবাৰ নিৰ্বাচনত মুঠ ৮৭ লাখ ৯ হাজাৰ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। ইয়াৰ ভিতৰত ৪৪ লাখ ৪৬ হাজাৰ পুৰুষ আৰু ৪২ লাখ ৬২ হাজাৰ মহিলা। ইপিনে এই নিৰ্বাচনত ৩ লাখ ৭১ হাজাৰ গৰাকী ভোটদাতাই প্ৰথমবাৰৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰিব।

০০০০০০০০০

আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণত কালি বাংলাদেশৰ ক্ষমতাচ্যুত প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা, প্ৰাক্তন মন্ত্ৰী অ'বেইদুৰ কাদেৰ, ৰাছিদ খান মেনন আৰু হাছানুল হক ইনুসহ ২৭ গৰাকী লোকৰ বিৰুদ্ধে গণহত্যা আৰু মানৱতাবিৰোধী অপৰাধ সংঘটিত কৰাৰ অভিযোগ দাখিল কৰা হৈছে। অভিযোগনামা দাখিল কৰা অন্য আগশাৰীৰ ব্যক্তিসকলৰ ভিতৰত আনোৱাৰ হুছেইন মঞ্জু, অছদুজ্জজামান খান কামাল, অনিছুল হক, হাছান মেহমুদ, জাহাংগীৰ কবিৰ নানক, মহম্মদ আলী আৰাফাট্, কামাল আহমেদ মজুমদাৰ আৰু প্ৰাক্তন আৰক্ষী মহাপৰিদৰ্শক আব্দুল্লা অল মামুন অন্যতম।

অলপতে বৈষম্যবিৰোধী ছাত্ৰ আন্দোলনৰ সময়ত আৰক্ষীৰ গুলীত প্ৰাণ হেৰুওৱা শ্বহৰীয়াৰ হাছান অল্ভিৰ পিতৃ আব্দুল হাছানে শ্বেখ হাছিনা আৰু তেওঁৰ ২৭ গৰাকী সহযোগী সহ ৫০০ জন অজ্ঞাত ব্যক্তিৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণৰ তদন্ত সংস্থাৰ ওচৰত এই অভিযোগ দাখিল কৰিছে। গোচৰীয়া পক্ষই অভিযোগৰ সৈতে বিভিন্ন বাতৰি কাকতৰ কাটিং আৰু অন্য নথি দাখিল কৰিছে। শ্ৰী হাছানে ১৯৭৩ চনৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধীকৰণৰ বিভিন্ন ধাৰাৰ অধীনত গণহত্যা আৰু মানৱতা বিৰোধী অপৰাধৰ অভিযোগ উত্থাপন কৰিছে।

০০০০০০০০০

**সমাপ্ত**